## গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু অনলাইন শিক্ষা কেন্দ্ৰ
## গৃহপঞ্জী
## তৃতীয় ষান্মাসিক
## অসমীয়া স্নাতকোত্তৰ, শৈক্ষিক বৰ্ষঃ ২০২৩-২৪ (জুলাই/আগষ্ট)

**নিৰ্দেশাৱলীঃ—**

(১) কেৱল ২০২৩-২৪ (জুলাই/আগষ্ট) শৈক্ষিক বৰ্ষৰ বাবে নামভৰ্তি কৰা শিক্ষাৰ্থীসকলে গৃহপঞ্জী লিখিব।

(২) শিক্ষাৰ্থীসকলে নিজৰ ৰোল নং, জি. ইউ. পঞ্জীয়ন নম্বৰ, বিষয়, ষান্মাসিক, পাঠ্যবিষয়ৰ শিৰোনাম, কাকত নং আৰু অধ্যয়ন কেন্দ্ৰৰ নাম উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।

(৩) গৃহপঞ্জীৰ ফৰ্মেটটো GUCDOE ৱেবছাইটত উপলব্ধ। শিক্ষাৰ্থীসকলে সেই ফৰ্মেটটো ডাউনলোড কৰি তাতেই উত্তৰ প্ৰস্তুত কৰিব লাগিব।

(৪) প্ৰতিখন কাকতৰ বাবে দুটা বাধ্যতামূলক প্ৰশ্ন থাকিব। দুয়োটা প্ৰশ্নৰ বাবে এটাকৈ বিকল্প থাকিব। প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ১০। (মুঠ নম্বৰঃ ২ টা প্ৰশ্ন × ১০ নম্বৰ = ২০ নম্বৰ)

(৫) টাইপিং অথবা কম্পিউটাৰাইজ্ উত্তৰ বহী গ্ৰহণ কৰা নহ'ব। শিক্ষাৰ্থীসকলে নিজ হাতে লিখা উত্তৰ বহী জমা দিব লাগিব।

(৬) ১০ নম্বৰৰ বাবে প্ৰতিটো প্ৰশ্নোত্তৰ ৪০০ শব্দৰ ভিতৰত হ'ব লাগিব।

(৭) উত্তৰ লিখনত অন্য উৎসৰ পৰা আংশিক বা সম্পূৰ্ণভাৱে হুবহু প্ৰশ্নোত্তৰ লিখাটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।

(৮) GUCDOE-ৰ অধীনত বিভিন্ন Study Centre-ৰ শিক্ষাৰ্থীসকলে নিজ নিজ অধ্যয়ন কেন্দ্ৰত গৃহপঞ্জী জমা দিয়াটো বাধ্যতামূলক।

(৯) GUCDOE কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে GUCDOE কাৰ্যালয়ত নিজৰ গৃহপঞ্জী জমা দিব।

(১০) **গৃহপঞ্জীৰ জমা দিয়াৰ অন্তিম তাৰিখ ৩০ এপ্ৰিল, ২০২৫।**

---

## পাঠ্যবিষয় ঃ ASM-3016 (অসমীয়া উপন্যাস)

**১ নং প্ৰশ্নঃ** (ক) স্বাধীনতাৰ পৰৱৰ্তী কালৰ অসমীয়া উপন্যাসৰ ধাৰাসমূহৰ পৰিচয় দিয়ক। ১০

*অথবা*

(খ) দেৱব্ৰত দাসৰ ধূসৰতাৰ কাব্যত উত্তৰ আধুনিকতাবাদী উপন্যাসৰ বৈশিষ্ট্য কিমানখিনি প্ৰতিফলিত হৈছে বিচাৰ কৰক। ১০

**২ নং প্ৰশ্নঃ** (ক) মামণি ৰয়ছম গোস্বামীৰ নীলকণ্ঠী ব্ৰজ উপন্যাসৰ পটভূমি উল্লেখ কৰি কাহিনী সম্পৰ্কে আলোচনা কৰক। ১০

*অথবা*

(খ) পিতাপুত্ৰ উপন্যাসখনত গ্ৰাম্য সমাজ জীৱনে কেনেদৰে ভুমুকি মাৰিছে তাৰে এটি আলোচনা আগবঢ়াওক। ১০

## পাঠ্যবিষয় ঃ ASM-3026 (অনুবাদঃ তত্ত্ব আৰু প্ৰয়োগ)

**১ নং প্ৰশ্নঃ** (ক) অনুবাদৰ এটি গ্ৰহণযোগ্য সূত্ৰ দাঙি ধৰি অনুবাদ কৰ্মৰ গুৰুত্ব সম্পৰ্কে এটি টোকা লিখক। ১০

*অথবা*

(খ) 'অনুবাদ কলাত ভাষাৰ গুৰুত্ব আৰু ভূমিকা'— শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰক। ১০

**২ নং প্ৰশ্নঃ** (ক) 'অনুবাদৰ কথা' শীৰ্ষক প্ৰবন্ধটিৰ আলমত অনুবাদৰ তাত্ত্বিক দিশসমূহ দাঙি ধৰক। ১০

*অথবা*

(খ) অনুবাদৰ লগত সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-3066 (অসমীয়া ভাষাৰ ভিন্নতা)

**তলৰ যিকোনো দুটা বিষয়ত গৃহকৰ্ম প্ৰস্তুত কৰক—**

**১ নং প্ৰশ্নঃ** (ক) ভাষাৰ সামাজিক ভিন্নতা সৃষ্টিৰ কাৰক সন্দৰ্ভত এটা আলেখ প্ৰস্তুত কৰক। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ সামাজিক ভিন্নতা— এই বিষয়ত এটি গৃহকৰ্ম যুগুত কৰক। ১০

**২ নং প্ৰশ্নঃ** (ক) অসমীয়া ভাষাৰ ভৌগোলিক ভিন্নতা সম্পৰ্কে এটি গৃহকৰ্ম প্ৰস্তুত কৰক। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ নৃগোষ্ঠীয় ভিন্নতা সম্পৰ্কে এটি গৃহকৰ্ম প্ৰস্তুত কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-3086 (আধুনিক ভাৰতীয় সাহিত্য)

**১ নং প্ৰশ্নঃ** (ক) ভাৰতীয় সাহিত্য বুলিলে কি বুজে? ভাৰতীয় সাহিত্য সম্পৰ্কীয় ধাৰণা স্পষ্ট কৰক। ১০

*অথবা*

(খ) 'জাতীয়তাবাদ' বুলিলে কি বুজে? আধুনিক ভাৰতীয় কবিতাত জাতীয়তাবাদী ভাবধাৰাৰ প্ৰকাশ কেনেদৰে ঘটিছে, উদাহৰণ দি বুজায় দিয়ক। ১০

**২ নং প্ৰশ্নঃ** (ক) প্ৰেমচন্দৰ 'গোদান' উপন্যাসত সমকালীন ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ প্ৰকাশ কেনেদৰে ঘটিছে, সেই বিষয়ে তথ্যপূৰ্ণ আলোচনা আগবঢ়াওক। ১০

*অথবা*

(খ) 'অজ্ঞেয়'ৰ জয়দ'ল গল্পৰ আংগিক আৰু কলাকৌশলৰ বিষয়ে চমু আলোচনা আগবঢ়াওক। ১০

## পাঠ্যবিষয় ঃ ASM-3096 (অসমীয়া বৈষ্ণৱ, শৈৱ আৰু শাক্ত সাহিত্য)

**তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক—**

(ক) "বৈষ্ণৱ ধৰ্মৰ উদ্ভৱ আৰু বিকাশ" সম্বন্ধে এটি নিবন্ধ যুগুত কৰক। ১০

(ক) "অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ স্বৰূপ আৰু বৈশিষ্ট্য" বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰক। ১০

(ক) "অসমৰ শৈৱধৰ্ম আৰু সাহিত্য" সম্বন্ধে এটি নিবন্ধ যুগুত কৰক। ১০

(ক) "শাক্তধৰ্মীয় পৰম্পৰা আৰু অসমীয়া শাক্ত সাহিত্য" সম্বন্ধে এটি নিবন্ধ যুগুত কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-3106 (অসমীয়া ভাষাৰ গঠন)

**১ নং প্ৰশ্নঃ** (ক) ধ্বনি (Phone), বৰ্ণ (Phoneme) আৰু উপধ্বনি (Allophone)-ৰ স্বৰূপ ব্যাখ্যা কৰক। অসমীয়া ভাষাৰ স্পৰ্শ বা স্ফোট বৰ্ণৰ উপধ্বনিসমূহ বিশ্লেষণ কৰক। ৪+৬=১০

*অথবা*

(খ) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ সংজ্ঞা নিৰূপণ কৰক। অসমীয়া নঞাৰ্থক প্ৰাকৃতি 'ন'ৰ উপাকৃতি কেইটা আৰু কি কি? বিশ্লেষণ কৰক। ৪+৬=১০

**২ নং প্ৰশ্নঃ** (ক) খণ্ডকাব্য গঠনৰ নিয়ম কি? এই নিয়মৰ আধাৰত অসমীয়া ভাষাৰ বাক্য কিদৰে বিশ্লেষণ কৰিব পাৰি? উদাহৰণসহ আলোচনা কৰক। ৩+৭=১০

*অথবা*

(খ) ইংগিতাৰ্থ কি? বক্তাৰ ভাৱক যথাযথৰূপত প্ৰকাশ কৰি যোগাযোগ সফল হোৱাত ইংগিতাৰ্থই কিদৰে সহায় কৰে। ২+৮=১০

—×—

গুৱাহাটী বিশ্ববিদ্যালয়

# Gauhati University

দূৰ আৰু অনলাইন শিক্ষা কেন্দ্ৰ

# Centre for Distance and Online Education

## ASNWERSCRIPT FOR HOME ASSIGNMENT

**Roll Number (8 digit):** ........................................................................
*(GUCDOE Enrollment No)*

**G.U. Registration No.:** ........................................................................

**Programme Name:** ........................................................................

**Semester:** ........................................................................

**Paper Title:** ........................................................................

**Paper Code:** ........................................................................

**Name of the Study Centre:**........................................................................

**N.B.: Please note that the Name of the Candidate should not be mentioned anywhere. If found, the asnwer script will not be evaluated.)**